# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-04-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত ২০২৪ বৰ্ষৰ ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মানসমূহ প্ৰদান কৰে। অৱসৰপ্ৰাপ্ত সেনা বিষয়া লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতালৈ অসম বৈভৱ সন্মান আগবঢ়োৱা হয়। সংগীত শিল্পী দ্বীপেন বৰুৱা, নাট্যকাৰ হেমন্ত দত্ত, ক্ৰিকেটাৰ উমা চেত্ৰী আৰু টাটা কনছালটেন্সি ছাৰ্ভিচেছৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° এছ্‌ ৰামদুৰাই, ৰাষ্ট্ৰীয় ফৰেনছিক বিজ্ঞান বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° বাপ্পী পাল আৰু বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° পূৰৱী শইকীয়াক অসম সৌৰভ সন্মান প্ৰদান কৰা হয়।

একেদৰে, শগুণৰ সংৰক্ষণৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি থকা ফুলেশ্বৰী দত্ত আৰু বাইক ৰাইডাৰ মিনাক্ষী দাসকে ধৰি বিভিন্ন ক্ষেত্ৰত সমাজ জীৱনলৈ বিশেষ বৰঙণি আগবঢ়োৱা ১২ গৰাকী ব্যক্তিৰ লগতে আন তিনিটা প্ৰতিষ্ঠান কলিয়াবৰৰ চোৰেং এহেম, তিনিচুকীয়াৰ ইকো-ডেভেলপ ছ'চাইটী আৰু নগাঁৱৰ হাতীবন্ধুলৈ আজি অসম গৌৰৱ সন্মান আগবঢ়োৱা হয়।

০০০০০

অসমত অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। ১১ এপ্ৰিললৈ মনোনয়ন পত্ৰ দাখিল কৰিব পৰা যাব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ১৭ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। সেইদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ১১ মে'ত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ত অহা ২ মে'ত উজনি অসম আৰু বৰাক উপত্যকাত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত অহা ৭ মে'ত নামনি অসম আৰু মধ্য অসমত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ হ'ব। পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে নিৰ্বাচন হ'বলগীয়া অঞ্চলসমূহত নিৰ্বাচনী আৰ্হি আচৰণ বিধি বলৱৎ হৈছে।

০০০০০

ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী ৰণনীতি যুগুত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। শাসকীয় দল বিজেপিৰ কেইবাজনো জ্যেষ্ঠ নেতা আজি এই সন্দৰ্ভত এখন বৈঠকত মিলিত হয়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত আইন সংশোধনৰ জৰিয়তে পঞ্চায়তলৈ ক্ষমতা বিকেন্দ্ৰীকৰণ বিষয়ত আলোকপাত কৰা হয়। নিৰ্বাচনত বিজেপি আৰু অসম গণ পৰিষদৰ মাজত বুজাবুজি অব্যাহত ৰখাৰ বাবে প্ৰতিটো লোকসভা সমষ্টিত

একোজনকৈ অগপ আৰু বিজেপি কাৰ্যকৰ্তাক দায়িত্ব দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে সাংবাদিকক জানিবলৈ দিয়ে।

OOOOO

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ৫ এপ্ৰিল, শনিবাৰে নিশা ৮ বাজি দুই মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত বিশিষ্ট সাংবাদিক, আছাম টক্‌ছ চেনেলৰ মুখ্য সম্পাদক প্ৰাণজিৎ শইকীয়াৰ সৈতে এটা অগতানুগতিক সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

OOOOO

পৰম্পৰাগত অসমীয়া গহণাই ভৌগোলিক সূচ্যাংক অৰ্থাৎ জি আই টেগৰ স্বীকৃতি লাভ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ ভৌগোলিক সূচক পঞ্জীয়কে কালি ৰত্ন আৰু গহণা উন্নয়ন পৰিষদ, অসমলৈ এই ভৌগোলিক সূচকৰ স্বত্ত্ব প্ৰদান কৰে। ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা বিভাগৰ অন্তৰ্গত অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ তত্বাৱধানত চলোৱা প্ৰচেষ্টাৰ ফলস্বৰূপে এই সূচক ৰাজ্যখনে লাভ কৰিছে। গহণা প্ৰস্তুতিৰ পদ্ধতিৰ ভিত্তিত পৰম্পৰাগত অসমীয়া গহণাৰ তিনিটা প্ৰকাৰক টাইপ-এ, টাইপ-বি আৰু টাইপ-চিৰ স্বীকৃতি দিয়া হৈছে।

মুখ্যমন্ত্ৰী ডʼ হিমন্ত বিশ্ব শৰ্মাই অসমীয়া গহণাই এই স্বীকৃতি লাভ কৰাৰ বাবে আনন্দ প্ৰকাশ কৰি দিয়া এটা বাৰ্তাত কয়, যে ২০১৮-১৯ বৰ্ষৰ বাজেটত ৰাজ্য চৰকাৰে শিল্পীসকলৰ সুৰক্ষা আৰু স্বীকৃতিৰ প্ৰতি লক্ষ্য ৰাখি জি আই টেগৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল।

OOOOO

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হʼবলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, যোৱাবাৰৰ চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হʼব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হʼব।

OOOOO

সমাপ্ত